জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৯১/২০২০

# পঞ্চদশ বিত্ত আয়োগৰ পৰামৰ্শাৱলীত অসমৰ নদীৰ খহনীয়া সমস্যাক দুৰ্যোগ হিচাপে চিহ্নিত কৰাৰ পৰামৰ্শ

## খহনীয়াত মাটি-বাৰী হেৰুওৱা লোকসকলৰ পুনৰ সংস্থাপনৰ বাবে অতিশীঘ্ৰে কেন্দ্ৰৰ ওচৰত এক বিশেষ প্ৰস্তাৱ দাখিল কৰিব ৰাজ্য চৰকাৰে ঃ মুখ্যমন্ত্ৰী

## চলিত বৰ্ষত এছডিআৰএফ পুঁজিলৈ কেন্দ্ৰীয় অংশ হিচাপে ৭৭২ কোটি টকা মঞ্জুৰ ভাৰত চৰকাৰৰ, ইয়াৰে ৩৮৬ কোটি টকা ইতিমধ্যে লাভ কৰিছে অসমে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩০ মে'ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে অসমৰ বানপানী আৰু গৰাখহনীয়া সমস্যা সমাধানৰ বাবে ৰাজ্য চৰকাৰে দৃঢ়তাৰে পদক্ষেপ গ্ৰহণ কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ নদীৰ খহনীয়া সমস্যাটোক প্ৰাকৃতিক দুৰ্যোগ হিচাপে গণ্য কৰি ক্ষতিগ্ৰস্ত ৰাইজক সাহায্য আৰু পুনৰ সংস্থাপনৰ ব্যৱস্থা গ্ৰহণৰ বাবে ৰাজ্য চৰকাৰে ইতিমধ্যেই পঞ্চদশ বিত্ত আয়োগৰ ওচৰত এক প্ৰতিবেদন দাখিল কৰিছিল। এই প্ৰতিবেদনৰ প্ৰতি সহাঁৰি জনাই আয়োগে নদীৰ খহনীয়া সমস্যাক এক দুৰ্যোগ হিচাপে চিহ্নিত কৰি এছডিআৰএফ আৰু এনডিআৰএফৰ অধীনত সাহায্য আৰু পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত পৰামৰ্শাৱলী দাখিল কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। ৰাজ্যখনৰ খহনীয়াত মাটি-বাৰী হেৰুওৱা লোকসকলৰ পুনৰ সংস্থাপনৰ বাবে এক বিশেষ প্ৰস্তাৱ দাখিল কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে নিৰ্দেশ দিয়াৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে এই বিষয়ত বিতং তথ্য সম্বলিত এক প্ৰস্তাৱ অতি শীঘ্ৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰিব। এই পদক্ষেপে ৰাজ্যখনৰ দীৰ্ঘদিনীয়া সমস্যাটো সমাধানৰ দিশত যথেষ্ট সহায়ক হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমৰ বানপানী আৰু গৰাখহনীয়া সমস্যাক গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে চলিত বৰ্ষত এছডিআৰএফ পুঁজিলৈ কেন্দ্ৰীয় অংশ হিচাপে ভাৰত চৰকাৰে ৭৭২ কোটি টকা মঞ্জুৰ কৰিছে। ইয়াৰে ৩৮৬ কোটি টকা ইতিমধ্যে ৰাজ্যখনে লাভ কৰিছে। বানপীড়িত লোকসকললৈ সাহায্য প্ৰদানৰ লগতে আনুষংগিক কাম-কাজৰ বাবে জিলা উপায়ুক্তসকললৈ ৰাজ্য চৰকাৰে ইতিমধ্যে পৰ্যাপ্ত পুঁজি মোকলাই দিছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। আশ্ৰয় শিবিৰত থকা লোকসকলৰ লগতে প্ৰতিগৰাকী বানপীড়িত লোকে যাতে সময় মতে পৰ্যাপ্ত

পৰিমাণৰ গুণগত, মানসম্পন্ন খাদ্য-সামগ্ৰী, শিশু খাদ্য আৰু পশুখাদ্য লাভ কৰে, সেয়া নিশ্চিত কৰিবলৈ জিলা প্ৰশাসনসমূহক নিৰ্দেশ দিয়া হৈছে। এই ক্ষেত্ৰত কোনোধৰণৰ হেমাহি সহ্য কৰা নহ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ জনসাধাৰণে একেসময়তে কেইবাটাও দুৰ্যোগৰ বিৰুদ্ধে যুঁজ দিবলগীয়া হৈছে। ক'ভিড-১৯, বানপানী, গৰাখহনীয়া, ধুমুহা, আফ্ৰিকান ছ'ৰাইন ফিভাৰৰ বিৰুদ্ধে যুঁজ দিবলগীয়া হৈছে। ৰাইজৰ সহযোগত আৰু বিভিন্ন বিভাগৰ সহায়ত ৰাজ্য চৰকাৰে এই দুৰ্যোগৰ বিৰুদ্ধে যুঁজ দি আহিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। মথাউৰি নিৰ্মাণ, বানপানী আৰু খহনীয়া এলেকা নিজেই ভ্ৰমণ কৰি চৰজমিন বুজ লোৱাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে খহনীয়া প্ৰতিৰোধৰ কাম যুদ্ধকালীন তৎপৰতাৰে কৰাৰ বাবে জলসম্পদ বিভাগক ইতিমধ্যে নিৰ্দেশ দিয়া হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে লকডাউনৰ বাবে মথাউৰি মেৰামতি আৰু নিৰ্মাণকাৰ্য বাধাপ্ৰাপ্ত হৈছিল যদিও লকডাউনৰ শিথিলতাৰ মাজলৈ অনাৰ পিছত জলসম্পদ বিভাগে তৎপৰতাৰে কাম আৰম্ভ কৰে। এই ক্ষেত্ৰত সাংসদ,বিধায়ক,পঞ্চায়ত প্ৰতিনিধি আৰু জনসাধাৰনে সম্পূৰ্ণ সহযোগিতা আগবঢ়াইছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে বানপীড়িত লোকসকলে যাতে কোনোধৰণৰ সমস্যাৰ মুখামুখি হ'বলগীয়া নহয়, তাৰ বাবে উপায়ুক্তসকলক নিৰ্দেশ প্ৰদান কৰা হৈছে।

**পুঃডেঃ / প্ৰঃকুঃবঃ**
**৩০/৫/২০২০**